**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-04-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানে ব্যাপক ৰূপ লৈছে। ৰাজনৈতিক দলসমূহে নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুখন নিৰ্বাচনী সভাত ভাগ লয়। ধেমাজিৰ গোগামুখত প্ৰথমখন নিৰ্বাচনী সভাত দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে বিজেপিৰ বাবে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ কল্যাণ অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয় যে দলটোৱে সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য সেৱাত নিৰন্তৰ গুৰুত্ব আৰোপ কৰি আহিছে। অসম সমগ্ৰ বিশ্বত চাহৰ বাবে জনাজাত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, মৰিগাঁৱৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ লগে লগে ৰাজ্যখনে ছেমিকণ্ডাক্টৰ চিপৰ বাবেও স্বীকৃতি লাভ কৰিব।

বিশ্বনাথৰ বিহালীত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে কয় যে বিজেপিয়ে আত্মনিৰ্ভৰ অসম গঢ়াৰ পৰিকল্পনাৰে কাম কৰি আছে।

প্ৰধানমন্ত্ৰী মোদী ৬ এপ্ৰিলত মৰাণ, বৰপেটাৰোড আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব। কাইলৈ বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ আহিব। পৰহিলৈ শ্ৰীশ্বাহে গোলকগঞ্জ, দুধনৈ আৰু বকো-ছয়গাঁৱত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে- দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে।

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে কাইলৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি টংলা বিধানসভা সমষ্টিৰ টংলা উচ্চতৰ মাধ্যমিক খেলপথাৰত বিজয় সংকল্প সভাত অংশ লয়। তেওঁ লগতে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ শুক্লাই ষ্টেডিয়াম আৰু টিহু বিধানসভা সমষ্টিৰ বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেলপথাৰত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে।

নলবাৰীৰ ছহিদ মুকুন্দ কাকতি বাছ আস্থানত আজি বিজেপিৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী অশোক শৰ্মাই ভোটদাতা ৰাইজৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। বাক্সা জিলাৰ শিমলাত ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে ইউ পি পি এল দলৰ নিৰ্বাচনী

কাৰ্যালয় মুকলি কৰে। জিলাখনৰ ভকুৱামাৰীত আজি বিয়লি এ আই ইউ ডি এফৰ মুৰব্বী বদৰুদ্দিন আজমলে প্ৰচাৰ অভিযানত অংশ লয়। বজালী জিলাত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী দিলীপ বৰুৱাৰ লগতে এন ডি এৰ প্ৰাৰ্থী ধৰ্মেশ্বৰ ৰয়েও প্ৰচাৰ চলাইছে। বৰপেটাৰ পাকা বেটবাৰী সমষ্টিৰ কংগ্ৰেছ্ দলৰ প্ৰাৰ্থী তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন চিকদাৰে আজি অঞ্চলটোৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলায়। একেদৰে বৰপেটাৰ এন ডি এৰ প্ৰাৰ্থী দীপক কুমাৰ দাসেও সমষ্টিটোৰ পূৱ দিশত প্ৰচাৰ চলায়। ০০০০

০০০০

আসন্ন নিৰ্বাচনক লৈ ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসনে তৎপৰতা অব্যাহত ৰাখিছে। তদুপৰি ভোটদানৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ জিলা প্ৰশাসনসমূহে বিভিন্ন কাৰ্যসূচী লৈছে। নগাওঁ জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আজি জিলাখনৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চল পৰিদৰ্শন কৰে। তেওঁ চামগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত বোৰমা বজাৰ, কাৰৈমাৰী বজাৰ, মাগুৰমাৰী বজাৰ তিনিআলী আৰু শোলমাৰীকে ধৰি বিস্তৃত অঞ্চল ভ্ৰমণ কৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। আয়ুক্তগৰাকীয়ে সকলো শ্ৰেণীৰ ৰাইজক নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাত প্ৰশাসনক সহায় কৰিবলৈ আহ্বান জনায়। তদুপৰি কোনো ভয়, ভাবুকি অথবা ছাপ অবিহনে ভোটদান কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। কাৰ্বি আংলং জিলাত নিৰ্বাচনী দায়িত্বত নিয়োজিত কৰ্মচাৰী, আৰক্ষীৰ লোক, ছাফাইকৰ্মী, চালক, আদিক ডাক বেলটযোগে ভোটদানৰ সুবিধা দিবলৈ প্ৰশাসনে ডাক বেলট সহযোগিতা কেন্দ্ৰ স্থাপন কৰিছে। সেই অনুসৰি ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী দায়িত্বত নিয়োজিত আৰক্ষী কৰ্মচাৰীসকলৰ বাবে এই সুবিধা প্ৰদান কৰা হ'ব। কোকৰাঝাৰ জিলাতো প্ৰশাসনে জ্যেষ্ঠ নাগৰিকসকলৰ বাসগৃহৰ পৰা ভোটগ্ৰহণকে ধৰি সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

ছিংগাপুৰৰ কোৰোনাৰ্ছ আদালতৰ ৰায়ে অসমত চলি থকা জুবিন গাৰ্গৰ মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়াত কোনো প্ৰভাৱ নেপেলাই বুলি ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই প্ৰকাশ কৰিছে। শ্ৰীশইকীয়াই আজি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্ট ট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি পৰ্যবেক্ষণ কৰে।  ৰাজ্য চৰকাৰৰ প্ৰচিকিউচন সঞ্চালক মাখন ফুকনৰ সৈতে আদালতত উপস্থিত হৈ শ্ৰীশইকীয়াই যুক্তি পৰ্ব নিৰীক্ষণ কৰে। সাংবাদিকৰ আগত তেওঁ কয় যে গোচৰত যাতে কোনো বিংসগতি বা আসোঁৱাহ নৈ নাথায়, তাৰ বাবে পৰ্যায়ক্ৰমে এই প্ৰক্ৰিয়া নিৰীক্ষণ কৰা হৈছে। অসম চৰকাৰে নিযুক্তি দিয়া বিশেষ লোক অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বত দলটোৱে নিয়াৰিকৈ সকলো প্ৰক্ৰিয়া চলাই গৈছে বুলি তেওঁ কয়। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে নিজাকৈ গোচৰ ৰুজু কৰি আদালতত অভিযোগ নামা দাখিল কৰিছে আৰু এই গোচৰৰ সৈতে ছিংগাপুৰৰ গোচৰৰ  কোনো সম্পৰ্ক নাই বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

বাইট-দেৱজিৎ শইকীয়া

০০০০

নিৰ্বাচন আয়োগে আজি বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম, কেৰালাম আৰু পুডুচেৰীত নিয়োজিত কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ পৰ্যালোচনা বৈঠকৰ আয়োজন কৰে। অসম, কেৰালাম আৰু পুডুচেৰীৰ মুখ্য নিৰ্বাচনী বিষয়াসহ মুঠ ২৮২ গৰাকী পৰ্যবেক্ষকে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত আয়োগে পৰ্যবেক্ষকসকলক উৎসৱমুখৰ পৰিবেশত ভয়, হিংসা আৰু প্ৰলোভনমুক্ত নিকা নিৰ্বাচন অনুষ্ঠিত

হোৱাটো সুনিশ্চিত কৰিবলৈ  নির্দেশ দিয়ে। আয়োগে আদৰ্শ নিৰ্বাচনী আচৰণবিধি কঠোৰভাৱে পালন কৰা আৰু এই বিধি উলংঘাৰ অভিযোগৰ ক্ষেত্ৰত দ্ৰুত ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰে। পৰ্যবেক্ষকসকলক লগতে সকলো ভোটগ্ৰহণ কেন্দ্ৰতে মোবাইল ফোন জমা ৰখাৰ ব্যৱস্থাকে ধৰি ন্যূনতম সুবিধাৰ উপলব্ধতা সুনিশ্চিত কৰিবলৈ কোৱা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ